**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI

**Date :** 23-08-2024 **Time :** 1910 Hrs.

***Assamese EVENING Bulletin***
***HEADLINES***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী প'লেণ্ড আৰু ইউক্ৰেইনৰ দ্বিদেশীয় ভ্ৰমণসূচীৰ দ্বিতীয় তথা অন্তিম পৰ্যায়ত কীভত উপস্থিত হৈছে।

২। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কৈছে যে ইছৰ'ৱে অকল মহাকাশ ক্ষেত্ৰতে নহয় বৰং দেশৰ আৰ্থ-সামাজিক বিকাশতো গুৰুত্বপূৰ্ণ অৱদান আগবঢ়াই আহিছে।

৩। কলকাতাৰ শিয়ালদাহৰ এখন আদালতে আৰ জি কৰ চিকিৎসা মহাবিদ্যালয়ৰ ধৰ্ষণ আৰু হত্যাৰ গোচৰত গ্ৰেপ্তাৰ হোৱা সঞ্জয় ৰায়ক ১৪ দিনৰ বাবে জে'ল হাজোতলৈ প্ৰেৰণ কৰিছে।

৪। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে ভাৰত আৰু আমেৰিকা যুক্তৰাষ্ট্ৰই বিশ্বত শান্তি, সমৃদ্ধি আৰু সুস্থিৰতা সুনিশ্চিত কৰিব পাৰে বুলি প্ৰকাশ কৰিছে।

আৰু

৫। শিক্ষা মন্ত্ৰালয়ে সকলো ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলক বিদ্যালয় সুৰক্ষা আৰু নিৰাপত্তা নিৰ্দেশাৱলী, ২০২১ ৰূপায়ণ কৰিবলৈ নিৰ্দেশ দিছে।

0000000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী প'লেণ্ড আৰু ইউক্ৰেইনৰ দ্বিদেশীয় ভ্ৰমণসূচীৰ তৃতীয় তথা অন্তিম পৰ্যায়ত আজি কীভত উপস্থিত হয়। প'লেণ্ডৰ পৰা ৰে'লেৰে কীভত উপস্থিত হোৱা প্ৰধানমন্ত্ৰীগৰাকীক ভাৰতীয় সম্প্ৰদায়ৰ লোকসকলে বিপুলভাৱে আদৰণি জনায়। শ্ৰী মোদীয়ে কীভস্থিত ইউক্ৰেইনৰ ৰাষ্ট্ৰীয় ইতিহাস সংগ্ৰহালয়ত মাল্টিমিডিয়া শিশু শ্বহীদ প্ৰদৰ্শনী পৰিদৰ্শন কৰে। পৰিদৰ্শনকালত ইউক্ৰেইনৰ ৰাষ্ট্ৰপতি ভ'লডিমিৰ জেলেনস্কীয়ে প্ৰধানমন্ত্ৰীক সংগ দিয়ে। দুয়োগৰাকী নেতাই শিশুৰ স্মৃতিৰ প্ৰতি সন্মান জনায়। সংঘৰ্ষত প্ৰাণ হেৰুওৱা শিশুৰ স্মৃতি হিচাপে আয়োজন কৰা এই প্ৰদৰ্শনীয়ে প্ৰধানমন্ত্ৰী মোদীৰ হৃদয়ত গভীৰ চাপ পেলায়। তেওঁ কণ কণ শিশুৰ প্ৰাণহানিক লৈ গভীৰ শোক প্ৰকাশ কৰে আৰু এটা পুতলাৰে শিশুসকলৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰে। ইয়াৰ পূৰ্বে প্ৰধানমন্ত্ৰী মোদীয়ে কীভত থকা মহাত্মা গান্ধীৰ প্ৰতিমূৰ্তিত শ্ৰদ্ধাৰ্ঘ্য নিবেদন কৰে। এই উপলক্ষে প্ৰধানমন্ত্ৰী মোদীয়ে এখন সম্প্ৰীতিৰে ভৰা সমাজ নিৰ্মাণৰ ক্ষেত্ৰত মহাত্মা গান্ধীৰ শান্তিৰ বাৰ্তাৰ শ্বাস্বত প্ৰাসংগিকতাত আলোকপাত কৰে। তেওঁ কয় যে গান্ধীয়ে দেখুৱাই থৈ যোৱা পথে বৰ্তমানৰ গোলকীয় প্ৰত্যাহ্বানৰ সমাধান সূত্ৰ দি আহিছে। ১৯৯২ চনত ভাৰত আৰু ইউক্ৰেইনৰ মাজত কূটনৈতিক সম্পৰ্ক স্থাপন হোৱাৰ পাছত এয়া হৈছে কোনো ভাৰতীয় প্ৰধানমন্ত্ৰীৰ প্ৰথম ইউক্ৰেইন ভ্ৰমণ। ভ্ৰমণকালত শ্ৰীমোদী আৰু ৰাষ্ট্ৰপতি জেলেনস্কীয়ে অৰ্থনৈতিক আৰু বাণিজ্যিক সম্পৰ্ক, কৃষি, আন্তঃগাঠনি, স্বাস্থ্য আৰু শিক্ষা, ভেষজ, প্ৰতিৰক্ষা, সংস্কৃতি আৰু জনসম্পৰ্ককে ধৰি দ্বিপাক্ষিক সম্পৰ্কৰ সকলো দিশৰ আলোচনা কৰিব। দুয়োগৰাকী নেতাৰ মাজৰ আলোচনাত ইউক্ৰেইনৰ বৰ্তমানৰ সংঘৰ্ষৰ বিষয়টোৱে স্থান লাভ কৰিব। ভাৰতে এই সমস্যাৰ সমাধানৰ বাবে কূটনীতি আৰু আলোচনাৰ পোষকতা কৰি আহিছে। প্ৰধানমন্ত্ৰী মোদীৰ এই ঐতিহাসিক ভ্ৰমণে দ্বিপাক্ষিক সম্পৰ্কৰ সম্প্ৰসাৰণত সহায় কৰিব।

000000000

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কৈছে যে ভাৰতীয় মহাকাশ গৱেষণা প্ৰতিষ্ঠান ইছৰ'ৱে অকল মহাকাশ ক্ষেত্ৰতে নহয় বৰং দেশৰ আৰ্থ-সামাজিক বিকাশতো গুৰুত্বপূৰ্ণ অৱদান আগবঢ়াই আহিছে। নতুন দিল্লীত আজি প্ৰথম ৰাষ্ট্ৰীয় মহাকাশ দিৱসৰ কাৰ্যসূচী মুকলি কৰি শ্ৰীমতী মুৰ্মুৱে এইদৰে প্ৰকাশ কৰে। তেওঁ কয় যে মহাকাশ ক্ষেত্ৰৰ বিকাশৰ বাবে স্বাস্থ্য,

পৰিবহণ, পৰিৱেশ, শক্তি, সুৰক্ষা, তথ্য-প্ৰযুক্তি আৰু আন ভালেমান খণ্ড উপকৃত হৈছে। মহাকাশ অন্বেষণে মানুহৰ সামৰ্থ বৃদ্ধি কৰিছে বুলি উল্লেখ কৰি ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে এই অন্বেষণে কল্পনাক বাস্তৱ ৰূপ দিয়াত আৰু ব্ৰহ্মাণ্ডৰ ৰহস্য উদ্‌ঘাটন কৰাত সহায় কৰিছে। তেওঁ কয় যে ইছৰ'ৰ চন্দ্ৰযানে চন্দ্ৰপৃষ্ঠত অৱতৰণ কৰাৰ ক্ষণটো সকলো ভাৰতীয়ৰ বাবে গৌৰৱৰ মুহূৰ্ত আছিল। ৰাষ্ট্ৰীয় মহাকাশ দিৱস উদযাপন কৰাটো এটা প্ৰশংসনীয় পদক্ষেপ বুলি ৰাষ্ট্ৰপতি মুৰ্মুৰে মন্তব্য কৰে। তেওঁ কয় যে মহাকাশ ক্ষেত্ৰত ভাৰতৰ সাফল্য সঁচাকৈ অসাধাৰণ। তেওঁ লগতে কয় যে ন্যূনতম সম্পদৰ জৰিয়তে মংগলযান অভিযান সম্পূৰ্ণ কৰাই হওঁক বা এবাৰতে শতাধিক কৃত্ৰিম উপগ্ৰহৰ উৎক্ষেপনেই হওঁক ভাৰতে এনে ভালেমান সাফল্য অৰ্জন কৰিবলৈ সমৰ্থ হৈছে। ৰাষ্ট্ৰপতিগৰাকীয়ে লগতে ২০৩০ চনৰ ভিতৰত মহাকাশক আৱৰ্জনামুক্ত কৰাৰ বাবে ইছৰ'ৰে গ্ৰহণ কৰা পৰিকল্পনাৰ প্ৰশংসা কৰে।

অনুষ্ঠানত অংশগ্ৰহণ কৰি মহাকাশ দপ্তৰৰ ৰাজ্যমন্ত্ৰী ড° জিতেন্দ্ৰ সিঙে কয় যে নৰেন্দ্ৰ মোদী চৰকাৰে মহাকাশখণ্ডক অতীতৰ শিকলি ছিঙি মুক্ত কৰি তুলিছে। তেওঁ কয় যে প্ৰায় ৭০ বছৰ ধৰি মহাকাশ খণ্ডই স্ব-আৰোপিত গোপনীয়তাৰ আচ্ছাদনৰ আঁৰত কাম কৰি আছিল, যাৰ ফলত সংস্থাটো সম্পদ আৰু জ্ঞানৰ পৰা বঞ্চিত হৈ আছিল।

এই উপলক্ষে ইছৰ'ৰ অধ্যক্ষ এছ সোমনাথে কয় যে এইবেলি সমগ্ৰ দেশতে ৰাষ্ট্ৰীয় মহাকাশ দিৱস পালন কৰা হৈছে। এই দিৱসত সকলো বিভাগ, মন্ত্ৰালয়, শৈক্ষিক প্ৰতিষ্ঠান, বিজ্ঞান সংস্থা, বে-চৰকাৰী সংস্থা আৰু জনসাধাৰণে অংশগ্ৰহণ কৰিছে। ৰাষ্ট্ৰীয় মহাকাশ দিৱসক লৈ জনসাধাৰণৰ মাজত বিপুল উৎসাহ পৰিলক্ষিত হোৱা বুলি তেওঁ উল্লেখ কৰে। অনুষ্ঠানত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰে ইছৰ'ৰ ৰব'টিকছ প্ৰতিযোগিতা আৰু ভাৰতীয় মহাকাশ হেকাথনৰ বিজয়ীসকলক পুৰস্কাৰ প্ৰদান কৰে।

০০০০০০০০০

কলকাতাৰ শিয়ালদাহৰ এখন আদালতে আৰ জি কৰ চিকিৎসা মহাবিদ্যালয়ৰ ধৰ্ষণ আৰু হত্যাৰ গোচৰত গ্ৰেপ্তাৰ হোৱা সঞ্জয় ৰায়ক ১৪ দিনৰ বাবে জেল হাজোতলৈ প্ৰেৰণ কৰিছে। ইয়াৰ পূৰ্বে কলকাতা আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰাৰ পাছত ৰায়ক ১৪ দিনৰ বাবে আৰক্ষীৰ জিম্মালৈ প্ৰেৰণ কৰা হৈছিল। পাছত অভিযুক্তগৰাকীক চি বি আইৰ হাতত অৰ্পণ কৰা হৈছিল।

ইপিনে, আৰ জি কৰ চিকিৎসা মহাবিদ্যালয়ৰ বিত্তীয় অনিয়ম আৰু ভুল পৰিচালনাৰ গোচৰৰ তদন্তৰ দায়িত্ব চি বি আইক অৰ্পণ কৰা হৈছে। কলকাতা উচ্চ ন্যায়ালয়ে আজি চিকিৎসা মহাবিদ্যালয়খনৰ প্ৰাক্তন অধ্যক্ষ সন্দীপ ঘোষ জড়িত থকা বিত্তীয় অনিয়মৰ বিষয়টোৰ চি বি আইৰ তদন্তৰ নিৰ্দেশ দিয়ে। পূৰ্বতে ৰাজ্য চৰকাৰে বিষয়টোৰ তদন্তৰ বাবে আৰক্ষীৰ মহাপৰিদৰ্শকৰ নেতৃত্বত এটা বিশেষ তদন্ত দল গঠন কৰিছিল।

অন্য এটা ঘটনাক্ৰমত ৰাজ্যখনৰ স্বাস্থ্য সচিব নাৰায়ণ স্বৰূপ নিগমে আবাসিক চিকিৎসকসকলক কামত যোগদান কৰিবলৈ আহ্বান জনাইছে। তেওঁ কয় যে আৰ জি কৰ চিকিৎসা মহাবিদ্যালয় হাস্পতালত নতুন চিকিৎসা অধীক্ষক তথা উপাধক্ষ আৰু অধ্যক্ষই ইতিমধ্যে কামত যোগদান কৰিছে। বক্ষৰোগ চিকিৎসা বিভাগৰ মুৰববী আৰু সহকাৰী অধীক্ষকক ইতিমধ্যে বদলি কৰা হৈছে বুলি তেওঁ জানিবলৈ দিয়ে।

০০০০০০০

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে ভাৰত আৰু আমেৰিকা যুক্তৰাষ্ট্ৰ স্বাভাৱিকভাৱে মিত্ৰতাৰ এনাজৰীৰে বান্ধ খাই থকা বুলি উল্লেখ কৰি দুয়োখন দেশে বিশ্বত শান্তি, সমৃদ্ধি আৰু সুস্থিৰতা সুনিশ্চিত কৰিব পাৰে বুলি প্ৰকাশ কৰে। ৱাশ্বিংটন ডিচিত ভাৰতীয় মূলৰ লোকসকলৰ সৈতে মত বিনিময় কৰি মন্ত্ৰীগৰাকীয়ে কয় যে দুয়োখন দেশৰ সহযোগিতা ত্বৰান্বিত হৈছে। ভাৰতীয় অৰ্থনীতিৰ প্ৰগতি সন্দৰ্ভত আলোকপাত কৰি শ্ৰী সিঙে কয় যে ভাৰত ২০২৭ চনৰ ভিতৰত বিশ্বৰ তৃতীয় বৃহৎ অৰ্থনীতি হিচাপে পৰিগণিত হ'ব। প্ৰতিৰক্ষা খণ্ডৰ ৰপ্তানিয়ে ২১ হাজাৰ কোটি টকা স্পৰ্শ কৰা বুলি তেওঁ সদৰি কৰে। এই

ভ্ৰমণকালত দুয়োখন দেশে যোগান ব্যৱস্থাপনা সুৰক্ষা অৰ্থাৎ **এছ অ' এছ এ** নথি তথা সংযোগী বিষয়াসকলৰ কাম-কাজ সন্দৰ্ভত বুজাবুজিৰ চুক্তিও স্বাক্ষৰ কৰে। **এছ অ' এছ এ** স্বাক্ষৰিত হোৱাৰ লগে লগে ভাৰত আৰু আমেৰিকা যুক্তৰাষ্ট্ৰই ৰাষ্ট্ৰীয় প্ৰতিৰক্ষা সংবৰ্ধন কৰা সামগ্ৰী আৰু সেৱাক অগ্ৰাধিকাৰ দিয়াত সন্মতি প্ৰদান কৰিছে। এই ব্যৱস্থাপনাৰ জৰিয়তে দুয়োখন দেশে পৰস্পৰৰ পৰা ঔদ্যোগিক সম্পদসমূহ আহৰণ কৰাৰ জৰিয়তে যোগান শৃংখলৰ অপ্ৰত্যাশিত প্ৰতিবন্ধকতা আঁতৰ কৰাৰ লগতে ৰাষ্ট্ৰীয় নিৰাপত্তা সম্পৰ্কীয় প্ৰয়োজনসমূহ পূৰ কৰিব পাৰিব। ভাৰত আমেৰিকা যুক্তৰাষ্ট্ৰৰ অষ্টাদশ এছ অ' এছ এ মিত্ৰ দেশ হিচাপে পৰিগণিত হৈছে। শ্ৰী সিঙে আমেৰিকা যুক্তৰাষ্ট্ৰৰ প্ৰতিৰক্ষা মন্ত্ৰীৰ সৈতে দ্বিপাক্ষিক বৈঠকত মিলিত হ'ব। তদুপৰি তেওঁ আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰীয় সুৰক্ষা উপদেষ্টা জেক চুলিৱানকো সাক্ষাৎ কৰিব। শ্ৰী সিঙে সাম্প্ৰতিক তথা ভৱিষ্যতৰ প্ৰতিৰক্ষা সহযোগিতা সন্দৰ্ভত এখন উচ্চ পৰ্যায়ৰ ঘূৰণীয়া মেজমেলত অধ্যক্ষতা কৰিব। উল্লেখযোগ্য যে দেশৰ প্ৰতিৰক্ষা মন্ত্ৰীগৰাকী চাৰিদিনীয়া আমেৰিকা যুক্তৰাষ্ট্ৰ ভ্ৰমণসূচীৰে কালি সন্ধিয়া ৱাশ্বিংটনত উপস্থিত হয়।

০০০০০০০

শিক্ষা মন্ত্ৰালয়ে সকলো ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলক বিদ্যালয় সুৰক্ষা আৰু নিৰাপত্তা নিৰ্দেশাৱলী, ২০২১ ৰূপায়ণ কৰিবলৈ নিৰ্দেশ দিছে। স্কুলীয়া শিক্ষা আৰু সাক্ষৰতা বিভাগে শিশুক যৌন অপৰাধৰ পৰা সুৰক্ষা আইনৰ নীতি-নিৰ্দেশনা অনুসৰি এই নিৰ্দেশাৱলী যুগুতাই উলিয়াইছে। এই নিৰ্দেশাৱলীত চৰকাৰী, চৰকাৰী সাহায্যপ্ৰাপ্ত আৰু ব্যক্তিগত বিদ্যালয়ত অধ্যয়নৰত শিশুৰ সুৰক্ষাৰ ক্ষেত্ৰত বিদ্যালয় প্ৰশাসনৰ উত্তৰ দায়িত্ব নিশ্চিত কৰাৰ ব্যৱস্থা আছে। ইয়াৰ উপৰি নিৰ্দেশনাৱলীত সতৰ্কতামূলক শিক্ষা, বিভিন্ন পক্ষৰ উত্তৰদায়িত্ব নিৰ্ধাৰণ কৰা, অৱগত কৰাৰ প্ৰক্ৰিয়া, যাৱতীয় আইনী ব্যৱস্থা, সহায়, সমৰ্থন, পৰামৰ্শ আৰু সুৰক্ষিত বাতাবৰণৰ ব্যৱস্থাৰ উল্লেখ আছে।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পৰহিলৈ আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ যোগেদি দেশ-বিদেশৰ জনসাধাৰণৰ আগত মনৰ ভাৱ ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটিৰ ১১৩ সংখ্যক খণ্ড।

প্ৰধানমন্ত্ৰীয়ে এই অনুষ্ঠানৰ বাবে জনসাধাৰণৰ পৰা দিহা-পৰামৰ্শ বিচাৰিছে। জনসাধাৰণে ১৮০০-১১-৭৮০০ এই শুল্কবিহীন নম্বৰত ফোন কৰি প্ৰধানমন্ত্ৰীলৈ দিহা—পৰামৰ্শ আগবঢ়াব পাৰিব। তেওঁলোকে লগতে নৰেন্দ্ৰ মোদী এপ অথবা মাই গভ মুকলি মঞ্চৰ যোগেদিও পৰামৰ্শ আগবঢ়াব পাৰিব। অনুষ্ঠানটিৰ আসন্ন খণ্ডৰ বাবে আজি পৰামৰ্শ গ্ৰহণৰ অন্তিম দিন।

আকাশবাণী আৰু দূৰদৰ্শনৰ সমগ্ৰ নেটৱৰ্কৰ লগতে আকাশবাণীৰ ৱেবছাইট আৰু নিউজ অন এয়াৰ মোবাইল এপযোগে এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণী, দূৰদৰ্শন নিউজ, প্ৰধানমন্ত্ৰীৰ কাৰ্যালয় আৰু তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ ইউটিউব চেনেলযোগেও এই অনুষ্ঠানৰ প্ৰচাৰ কৰা হ'ব। আকাশবাণীয়ে প্ৰচাৰ হোৱাৰ ঠিক পাছতেই অনুষ্ঠানটিৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

০০০০০০০০

গুৱাহাটীৰ কাহিলিপাৰাৰ সেউজপুৰ ৰাজহুৱা নামঘৰত কাইলৈৰ পৰা ৩ দিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। জন্মাষ্টমীৰ লগত সংগতি ৰাখি নতুনকৈ নিৰ্মাণ কৰা নামঘৰত গুৰু আসন প্ৰতিষ্ঠা, নামপ্ৰসংগ আৰু ভাগৱত পাঠ কাৰ্যসূচী হাতত লোৱা হৈছে। উল্লেখযোগ্য যে ১৯৮৮ চনত কাঠ-বাঁহেৰে নিৰ্মিত নামঘৰটো শেহতীয়াকৈ ৰাজহুৱা বৰঙণিৰে নতুন ৰূপত সজাই তোলা হৈছে।

০০০০০

**সমাপ্ত**